# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-JUNE-2026
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
## Headlines
-------------------

১। প্ৰায় ২৩ হাজাৰ কোটি টকা ব্যয়ৰে গ্ৰীনফিল্ড শ্বিলং-শিলচৰ কৰিড'ৰ বিকশাই তোলা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীৰ ঘোষণা।

২। কৃষি আৰু জলসিঞ্চন মন্ত্ৰী পীযূষ হাজৰিকাৰ ৰাজ্যৰ কৃষি খণ্ডৰ ব্যাপক সম্ভাৱনা সন্দৰ্ভত কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানক সাক্ষাৎ।

৩। শিশুসকলৰ ডায়েৰীয়াজনিত মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ লক্ষ্যৰে আজিৰে পৰা ৰাজ্যজুৰি ডায়েৰীয়া ৰোধ অভিযান।

৪। ৰাজ্যত প্ৰায় ৩৮ জন লোক বাহকজনিত ৰোগত আক্ৰান্ত হোৱাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগৰ ব্যাপক সজাগতা কাৰ্যসূচী। **আৰু**

৫। ফিফা বিশ্বকাপ ফুটবলত আজি হ'বলগীয়া খেলত ফ্ৰান্স ছেনেগালৰ আৰু ইৰাক নৰৱেৰ বিৰুদ্ধে অৱতীৰ্ণ।

00000

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰায় ২৩ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে গ্ৰীনফিল্ড শ্বিলং-শিলচৰ কৰিডৰ বিকশাই তোলা হ'ব বুলি ঘোষণা কৰিছে। কালি শ্বিলঙত উত্তৰ-পূব ভাৰত আন্তঃগাঁথনি সন্মিলন আৰু প্ৰদৰ্শনী মুকলি কৰি তেওঁ এইকথা ঘোষণা কৰে। তেওঁ কয়, যে ১৬৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই কৰিডৰ উত্তৰ-পূবৰ আন্তঃগাঁথনি ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব। এই কৰিডৰে শ্বিলং আৰু শিলচৰৰ মাজত যাত্ৰাৰ সময় ৫০ শতাংশ হ্ৰাস কৰাৰ লগতে ত্ৰিপুৰা, মিজোৰাম আৰু মণিপুৰৰ সৈতে যোগাযোগ শক্তিশালী কৰি তুলিব বুলি তেওঁ কয়। ইয়াৰ ফলত পৰ্যটন আৰু পৰিবহণ খণ্ডত উন্নয়ন হোৱাৰ লগতে অঞ্চলটোৰ সৰ্বাত্মক বিকাশ হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। এই অনুষ্ঠানত শ্ৰীগাডকাৰীয়ে ৮ হাজাৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষ প্ৰস্তাৱিত, চাৰিটা লেনযুক্ত গ্ৰীনফিল্ড-যোৰাবাট-বৰাপানী কৰিডৰৰ বিষয়েও উল্লেখ কৰে। ৬৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই কৰিডৰে গুৱাহাটী আৰু শ্বিলঙৰ মাজত যোগাযোগ ব্যৱস্থা শক্তিশালী কৰাৰ লগতে মহানগৰ দুখনৰ মাজত যাত্ৰাৰ সময় আঢ়ৈ ঘণ্টাৰ পৰা এঘণ্টালৈ হ্ৰাস কৰিব বুলি মন্ত্ৰীগৰাকীয়ে কয়।

এই সন্মিলনৰ পৰাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মেঘালয়ত ৩৯ হাজাৰ ৮০০ কোটি টকা ব্যয়সাপেক্ষ ৪৫০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ কথাও ঘোষণা কৰে।

00000

ৰাজ্যৰ কৃষি আৰু জলসিঞ্চন মন্ত্ৰী পীযূষ হাজৰিকাই আজি নতুন দিল্লীত কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানক সৌজন্যমূলক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত শ্ৰীহাজৰিকাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অসমৰ উৰ্বৰ কৃষি খণ্ডৰ ব্যাপক সম্ভাৱনা আৰু বৰ্তমানৰ চৰকাৰে গ্ৰহণ কৰা আঁচনি সন্দৰ্ভত অৱগত কৰে। অসমৰ কৃষি খণ্ডৰ বিকাশৰ লগতে কৃষক ৰাইজৰ উত্তৰণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে সহায় আগবঢ়াব বুলি শ্ৰীচৌহানে মন্ত্ৰী হাজৰিকাক আশ্বাস দিয়ে। শ্ৰীহাজৰিকাই লগতে কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলক সাক্ষাৎ কৰি ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ জলপ্ৰবাহ ব্যৱস্থাৰ জৰিয়তে গঢ়ি উঠা অসমৰ বিপুল জলসিঞ্চনৰ সম্ভাৱনাৰ বিষয়ে মন্ত্ৰীগৰাকীক অৱগত

কৰে। শ্ৰীহাজৰিকাই কয় যে ৰাজ্যখনত ২৭ লাখ হেক্টৰ কৃষিভূমিত জলসিঞ্চনৰ সম্ভাৱনা আছে যদিও জলসিঞ্চন প্ৰকল্পসমূহে প্ৰায় ৭ লাখ হেক্টৰ ভূমিহে সামৰি লৈছে। কেন্দ্ৰীয় চৰকাৰৰ হৰ খেত কো পানী দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি অসমৰ জলসিঞ্চন ক্ষেত্ৰৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে সহযোগিতা আগবঢ়োৱাৰ দিশত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ইতিবাচক মনোভাৱ প্ৰকাশ কৰা বুলি মন্ত্ৰী শ্ৰীহাজৰিকাই সামাজিক মাধ্যমযোগে জানিবলৈ দিয়ে।

ooooo

ৰাজ্যত শীঘ্ৰে অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত জনগোষ্ঠীৰ জৰীপ চলোৱা হ'ব। অসম অন্যান্য পিছপৰা শ্ৰেণী আয়োগে এই জৰীপ সম্পন্ন কৰিব। ৰাজ্যৰ সংখ্যালঘু কল্যাণ আৰু উন্নয়ন মন্ত্ৰী অশ্বিনী ৰয় সৰকাৰে আজি সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে  নতুনকৈ অন্যান্য পিছপৰা শ্ৰেণীৰ তালিকাত ৭টা জনগোষ্ঠীক অন্তৰ্ভুক্ত কৰা হৈছে। ১১ টাৰো অধিক জনগোষ্ঠীক অন্যান্য পিছপৰা শ্ৰেণীৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে বিবেচনাধীন হৈ আছে। এই জৰীপৰ জৰিয়তে যোগ্যসকলে প্ৰাপ্য সুবিধা লাভ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট- সৰকাৰ**

ooooo

স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে আজি গুৱাহাটীত আয়োজিত এখন  বৈঠকত ৰাজ্যৰ প্ৰসূতিৰ মৃত্যুৰ হাৰ আৰু শিশুৰ মৃত্যুৰ হাৰ  হ্ৰাস কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহ পৰ্যালোচনা কৰে।  ৰাজ্যৰ স্বাস্থ্য, পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণা মন্ত্ৰী শ্ৰীসিংহলে আজি অসম সচিবালয়ত আয়োজিত বৈঠকত বিভাগকেইটাৰ অধীনত চলি থকা বিভিন্ন কাম-কাজৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ বহিঃবিভাগ আৰু অন্ত বিভাগত স্বাস্থ্য সেৱাৰ বৰ্তমানৰ অৱস্থা, ৰোগীৰ উপস্থিতি আৰু চিকিৎসা সেৱাৰ মান সন্দৰ্ভত বিতংকৈ আলোচনা কৰে। চিকিৎসালয়সমূহত সংক্ৰমনজনিত জটিলতা আৰু চেপচিচ প্ৰতিৰোধৰ বাবে চলি থকা ব্যৱস্থাসমূহৰ বুজ লৈ মন্ত্ৰীগৰাকীয়ে ৰোগীৰ সুৰক্ষা নিশ্চিত কৰাৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিবলৈ নিৰ্দেশ দিয়ে। এই বৈঠকত ইউ কুইন ডিজিটেল মঞ্চৰ জৰিয়তে সন্তানসম্ভৱা আৰু শিশুসকলৰ প্ৰতিষেধক প্ৰদান ব্যৱস্থা ফলপ্ৰসূভাৱে গ্ৰহণ কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়। তদুপৰি জৰায়ুৰ মুখৰ কৰ্কট ৰোগৰ প্ৰতিৰোধৰ বাবে এইচ পি ভি প্ৰতিষেধক প্ৰদান কাৰ্যসূচীৰ অগ্ৰগতি পৰ্যালোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে শিশুসকলৰ স্বাস্থ্য সুৰক্ষাৰ লক্ষ্যৰে চলি থকা সৰু আই প্ৰতিষেধক প্ৰদান কাৰ্যসূচীৰ বিষয়েও সবিশেষ বুজ লয়। দূৰৱৰ্তী আৰু দুৰ্গম অঞ্চলসমূহৰ স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদানৰ ক্ষেত্ৰত ভ্ৰাম্যমান চিকিৎসা গোটসমূহে পালন কৰি অহা ভূমিকাৰ বিষয়ে তেওঁ আলোচনা কৰে। এই বৈঠকতে বিদ্যালয়সমূহত গঠন কৰা স্বাস্থ্য ক্লাবৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মাজত ব্যক্তিগত পৰিচ্ছন্নতা আৰু পুষ্টিকৰ খাদ্যাভ্যাস সন্দৰ্ভত সজাগতা সৃষ্টিৰ পদক্ষেপৰ বুজ লোৱা হয়। যক্ষ্মা মুক্ত ভাৰত অভিযানৰ অধীনত যক্ষ্মা ৰোগ নিৰ্মূলৰ বাবে চলি থকা কাৰ্যসূচীৰ অগ্ৰগতিৰো মন্ত্ৰীগৰাকীয়ে পৰ্যালোচনা কৰে। এই বৈঠকত স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ আয়ুক্ত সচিব ডাঃ পি অশোক বাবু, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ মিছন সঞ্চালক ডাঃ লক্ষ্মণন এছ, অতিৰিক্ত মিছন সঞ্চালক ডাঃ মনোজ চৌধুৰীকে ধৰি বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

ooooo

শিশুসকলৰ ডায়েৰীয়াজনিত মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ লক্ষ্যৰে আজিৰে পৰা ৰাজ্যজুৰি ডায়েৰীয়া ৰোধ অভিযান অনুষ্ঠিত হৈছে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীৰ জৰিয়তে ORS আৰু জিংক পৰিপূৰকৰ ব্যৱহাৰ, অনাময় শৌচাগাৰৰ প্ৰয়োজনীয়তা তথা জনসচেতনতা বৃদ্ধি সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে বিশেষ কাৰ্যপন্থা গ্ৰহণ কৰা হৈছে। অহা ৩১ জুলাইলৈ চলিবলগীয়া এই অভিযানৰ অংশ স্বৰূপে আজি দিনৰ ১১ বজাত শ্ৰীভূমিৰ কৰিমগঞ্জ অসামৰিক চিকিৎসালয়ত উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত স্বাস্থ্য বিভাগৰ বিষয়া, চিকিৎসক, নাৰ্চ, আশাকৰ্মী আৰু বিভিন্ন স্তৰৰ স্বাস্থ্যকৰ্মীসকল উপস্থিত থাকে।

ডিব্ৰুগড় জিলাতো ডায়েৰীয়া প্ৰতিৰোধ অভিযানৰ অংশ হিচাপে আজিৰে পৰা মাহজোৰা কাৰ্যসূচী হাতত লোৱা হৈছে। ডিব্ৰুগড় চহৰৰ জ্যোতিনগৰ আয়ুষ্মান আৰোগ্য মন্দিৰত এই অভিযানৰ শুভাৰম্ভ কৰা হয়। যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, ডিব্ৰুগড় ৰাজ্যিক চিকিৎসালয়ৰ স্বাস্থ্য বিষয়া, অসংক্ৰামক ৰোগৰ জিলা সমন্বয়ককে ধৰি ভালেকেইজন চিকিৎসকে এই কাৰ্যসূচীত ডায়েৰীয়া প্ৰতিৰোধ যোগ্য ৰোগ বুলি উল্লেখ কৰি জনসাধাৰণক অশুদ্ধ পানী, দূষিত খাদ্য, অস্বাস্থ্যকৰ পৰিৱেশ আৰু নিয়ম সন্মতভাৱে হাত ধোৱাৰ অভাৱেই ডায়েৰীয়াৰ মূল কাৰণ বুলি অভিহিত কৰে। শিশুক ৰ'টা ভাইৰাছ ভেকচিন গ্ৰহণৰ সন্দৰ্ভতো স্বাস্থ্যকৰ্মীসকলে গুৰুত্ব আৰোপ কৰে।

ওদালগুৰিতো ডায়েৰীয়া প্ৰতিৰোধ অভিযানৰ শুভাৰম্ভ কৰি জিলা আয়ুক্ত অতিৰিক্ত জিলা আয়ুক্তই সকলো ৰাইজক ডায়েৰীয়া ৰোগ সন্দৰ্ভত সজাগ হ'বলৈ আহ্বান জনায়। এই অনুষ্ঠানত জিলা স্বাস্থ্য সমিতিৰ যুটীয়া সঞ্চালক, জিলা মিডিয়া বিশেষজ্ঞ, জিলা মহকুমা স্বাস্থ্য বিষয়াকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অভিযানৰ অংশ হিচাপে আশাকৰ্মীসকলে ORS বিতৰণ কৰে।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কমেও ৩৮ জন লোক বাহকজনিত ৰোগত আক্ৰান্ত হোৱাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগে ব্যাপক সজাগতা কাৰ্যসূচী গ্ৰহণ কৰিছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈ যোৱা এপ্ৰিলৰ পৰা ১২ জন ৰোগী চিকিৎসাধীন হয়। ইয়াৰে ৫ জনৰ মৃত্যু হয় বুলি চিকিৎসা মহাবিদ্যালয়খনৰ অধীক্ষক ডাঃ দেৱজিৎ চৌধুৰীয়ে প্ৰকাশ কৰিছে। অধীক্ষকগৰাকীয়ে জনসাধাৰণক এই ৰোগৰ লক্ষণ দেখা মাত্ৰেই চিকিৎসকৰ সহায় ল'বলৈ আহ্বান জনাইছে।

**ৰাইট**

জুন-জুলাই মাহত জাপানী এনকেফেলাইটিছ ৰোগৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি এই ৰোগৰ পৰা হাত সাৰি থকাৰ বাবে সজাগ হ'বলৈ স্বাস্থ্য বিভাগে জনসাধাৰণক আহ্বান জনাইছে। বিশেষ সূত্ৰ অনুসৰি ৰাজ্যত জাপানী এনকেফেলাইটিছ আৰু এনে ধৰণৰ লক্ষণযুক্ত ৰোগত আক্ৰান্ত হৈ চলিত বছৰত কমেও ৮ জন লোকৰ মৃত্যু হৈছে। ইয়াৰ ভিতৰত কামৰূপ আৰু লখিমপুৰত দুজনকৈ, বৰপেটা, কাছাৰ, যোৰহাট আৰু কামৰূপ মহানগৰত এজনকৈ লোকৰ মৃত্যু হৈছে। আনহাতে কামৰূপ মহানগৰ, বাক্সা, বৰপেটা, কাছাৰ, চৰাইদেউ, গোৱালপাৰা, হাইলাকান্দি, যোৰহাট আৰু কামৰূপত জাপানী এনকেফেলাইটিছ সদৃশ ৰোগত আক্ৰান্ত হৈ কেইবাজনো ৰোগ চিকিৎসাধীন হৈ আছে। এনেধৰণৰ ৰোগত ছয় শতাধিক লোক আক্ৰান্ত হৈছে বুলি স্বাস্থ্য বিভাগৰ সূত্ৰত প্ৰকাশ পাইছে।

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমে এই ৰোগৰ পৰা হাত সৰাৰ বাবে জনসাধাৰণক মহৰ প্ৰজনন হোৱা স্থানসমূহ পৰিষ্কাৰ কৰি ৰাখিবলৈ আহ্বান জনাইছে। তদুপৰি তীব্ৰ জ্বৰ, মূৰৰ বিষ, শৰীৰৰ অস্বাভাৱিক কঁপনি, কথা ক'বলৈ অসুবিধা পোৱা আৰু অচেতন হৈ পৰা লক্ষণ দেখা মাত্ৰেই চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কমেও ৩৮ জন লোক বাহকজনিত ৰোগত আক্ৰান্ত হোৱাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগে ব্যাপক সজাগতা কাৰ্যসূচী গ্ৰহণ কৰিছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত জাপানী এনকেফেলাইটিছত আক্ৰান্ত হৈ যোৱা এপ্ৰিলৰ পৰা ১২ জন ৰোগী চিকিৎসাধীন হয়। ইয়াৰে ৫ জনৰ মৃত্যু হয় বুলি চিকিৎসা মহাবিদ্যালয়খনৰ অধীক্ষক ডাঃ দেৱজিৎ চৌধুৰীয়ে প্ৰকাশ কৰিছে। অধীক্ষকগৰাকীয়ে জনসাধাৰণক এই ৰোগৰ লক্ষণ দেখা মাত্ৰেই চিকিৎসকৰ সহায় ল'বলৈ আহ্বান জনাইছে।

**ৰাইট**

জুন-জুলাই মাহত জাপানী এনকেফেলাইটিছ ৰোগৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি এই ৰোগৰ পৰা হাত সাৰি থকাৰ বাবে সজাগ হ'বলৈ স্বাস্থ্য বিভাগে জনসাধাৰণক আহ্বান জনাইছে। বিশেষ সূত্ৰ অনুসৰি ৰাজ্যত জাপানী এনকেফেলাইটিছ আৰু এনে ধৰণৰ লক্ষণযুক্ত ৰোগত আক্ৰান্ত হৈ চলিত বছৰত কমেও ৮ জন লোকৰ মৃত্যু হৈছে।

ইয়াৰ ভিতৰত কামৰূপ আৰু লখিমপুৰত দুজনকৈ, বৰপেটা, কাছাৰ, যোৰহাট আৰু কামৰূপ মহানগৰত এজনকৈ লোকৰ মৃত্যু হৈছে। আনহাতে কামৰূপ মহানগৰ, বাক্সা, বৰপেটা, কাছাৰ, চৰাইদেউ, গোৱালপাৰা, হাইলাকান্দি, যোৰহাট আৰু কামৰূপত জাপানী এনকেফেলাইটিছ সদৃশ ৰোগত আক্ৰান্ত হৈ কেইবাজনো ৰোগ চিকিৎসাধীন হৈ আছে। এনেধৰণৰ ৰোগত ছয় শতাধিক লোক আক্ৰান্ত হৈছে বুলি স্বাস্থ্য বিভাগৰ সূত্ৰত প্ৰকাশ পাইছে।

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমে এই ৰোগৰ পৰা হাত সৰাৰ বাবে জনসাধাৰণক মহৰ প্ৰজনন হোৱা স্থানসমূহ পৰিষ্কাৰ কৰি ৰাখিবলৈ আহ্বান জনাইছে। তদুপৰি তীব্ৰ জ্বৰ, মূৰৰ বিষ, শৰীৰৰ অস্বাভাৱিক কঁপনি, কথা ক'বলৈ অসুবিধা পোৱা আৰু অচেতন হৈ পৰা লক্ষণ দেখা মাত্ৰেই চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০

অহা ২১ জুনত দেশৰ লগতে বিশ্বজুৰি পালন হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ বাবে ৰাজ্যত প্ৰস্তুতি অব্যাহত আছে। কামৰূপ জিলাৰ শুৱালকুছিত হ'বলগীয়া যোগ দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰিব। শুৱালকুছিৰ গান্ধী আশ্ৰমত ৰাজ্যপালগৰাকীয়ে যোগ দিৱসৰ কাৰ্যসূচীত অংশ ল'ব। ৰাজ্যপালৰ আয়ুক্ত সচিব মীনাক্ষী সুন্দৰমে আজি আশ্ৰমখন পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই তেওঁক সংগ দিয়ে। পৰিদৰ্শনৰ সময়ত দিৱসৰ বাবে যাৱতীয় প্ৰস্তুতি চালি জাৰি চোৱা হয়। এই সন্দৰ্ভত আয়ুক্ত সচিবগৰাকীয়ে এনেদৰে কয়–

**বাইট (মীনাক্ষী সুন্দৰম)**

মৰিগাঁৱতো সুস্থ বাৰ্ধক্যৰ বাবে যোগ শীৰ্ষক মূল বিষয়বস্তুৰে পালন কৰিবলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ পৰিপ্ৰেক্ষিতত এখন প্ৰস্তুতি বৈঠক জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্তই বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক যোগ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাটো সুনিশ্চিত কৰিবলৈ সংশ্লিষ্ট সকলোকে নিৰ্দেশ দিয়ে। জিলাখনত যোগ দিৱসৰ লগত সংগতি ৰাখি ২০ জুনত যোগ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ১০ বছৰৰ পৰা ৩৫ বছৰ ঊৰ্ধলৈ মুঠ চাৰিটা শাখাত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

ডিফুতো আন্তৰ্জাতিক যোগ দিৱসৰ সৈতে সংগতি ৰাখি জিলা প্ৰশাসনৰ উদ্যোগত ১৯ আৰু ২১ জুনত যোগ প্ৰতিযোগিতা আয়োজন কৰা হৈছে।

০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আজিও ৩ গৰাকী সাক্ষীয়ে সাক্ষ্য দিয়ে। মৌচম বৰা, গৌৰাংগ দত্ত আৰু দিগন্ত দাস নামৰ সাক্ষী তিনিগৰাকীয়ে আজি এই ঘটনাৰ সাক্ষ্য প্ৰদান কৰে। অভিযুক্ত পক্ষৰ অধিবক্তাসকলে তিনিওগৰাকী সাক্ষীকে প্ৰশ্ন কৰে। উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ পাছত এই ঘটনাৰ তদন্ত বিচাৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে এজাহাৰ দাখিল হৈছিল। এজাহাৰ দাখিল কৰা লোকসকলৰ যোৱা ৮ জুনৰ পৰা আদালতে সাক্ষ্য গ্ৰহণ কৰি আছে। অহা ২০ জুন পৰ্যন্ত এই লোকসকলৰ সাক্ষ্য গ্ৰহণ কৰা হব। কাইলৈ সাক্ষ্য প্ৰদানৰ বাবে আদালতে ৪ গৰাকী এজাহাৰ দাখিলকাৰী বিপুল ফুকন, জিতু ফুকন, বিকাশ শইকীয়া আৰু যাদৱ শইকীয়ালৈ চমন জাৰি কৰিছে। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মুঠ সাক্ষী হৈছে ৩৯৪ জন।

০০০০০

শক্তিপীঠ কামাখ্যা ধামত অহা ২২ জুনৰ পৰা হ'বলগীয়া অম্বুবাচী মেলাৰ বাবে ৰাজ্য চৰকাৰ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনে পূৰ্ণগতিত প্ৰস্তুতি অব্যাহত ৰাখিছে। ইতিমধ্যে মেলাৰ বাবে কামাখ্যা মন্দিৰলৈ দেশৰ ভিন্ন প্ৰান্তৰ সাধু সন্যাসীৰ আগমন হৈছে। ২২ জুনৰ নিশা ৯ বাজি ৮ মিনিট ৪২ চেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব ইয়াৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ ৩ দিনলৈ ভক্তৰ বাবে বন্ধ থাকিব। ২৬ জুনৰ পুৱা পুজা আৰু দেৱী স্নানৰ পাছত ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ পুনৰ মুকলি কৰি দিয়া হ'ব। ভক্তৰ ভিৰৰ পৰিপ্ৰেক্ষিতত পুৰ্বৰ দৰে এইবাৰো মন্দিৰলৈ

পৰিবহণৰ ব্যৱস্থা নাথাকিব আৰু ভক্তসকলে নাৰ্ছাৰী পইণ্টত জোতা-ছেণ্ডেল এৰি খোজকাঢ়ি মন্দিৰলৈ যাব পাৰিব। স্বচ্ছতাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি নিলাচল পাহাৰত ভক্তৰ বাবে থকা খোৱাৰ ব্যৱস্থাও কৰা হোৱা নাই। মেলা পৰিচালনাৰ বাবে এখন সমিতি গঠন কৰি যাৱতীয় ব্যৱস্থা লোৱা হৈছে বুলি মন্দিৰৰ মুখ্য দলৈ কবিন্দ্ৰ প্ৰসাদ শৰ্মাই প্ৰকাশ কৰিছে।

**বাইট - কবিন্দ্ৰ প্ৰসাদ শৰ্মা**

০০০০০

ৰাজ্যৰ কৃষি বিভাগৰ উদ্যোগত তথা তামুলপুৰ কৃষি কাৰ্যালয়ৰ সহযোগত চলিত মাহটো চলিবলগীয়া খেতি পথাৰ বচাওক শীৰ্ষক অভিযানৰ অংশ হিচাপে আজি ঘিলাঝাৰ কৃষি উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত কালচেনী ভিচিডিচি এখন সজাগতামূলক সভা আৰু প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। প্ৰাকৃতিক কৃষি পদ্ধতিক উদগণি যোগোৱাৰ উদ্দেশ্যে আয়োজিত এই অভিযানত আজি ভালেসংখ্যক কৃষক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। অনুষ্ঠানত তামুলপুৰৰ মহকুমা কৃষি বিষয়া নিৰোদ নাথ, নাবাৰ্ডৰ জিলা উন্নয়ন প্ৰৱন্ধক উৎপল বেজবৰুৱা, ঘিলাঝাৰৰ কৃষি উন্নয়ন বিষয়া আৰু মীন বিভাগৰ প্ৰতিনিধিসকল উপস্থিত থাকি শস্যৰ উৎপাদন বৃদ্ধি, কীট-পতংগ নাশ কৰা আৰু শস্যৰ ৰোগ প্ৰতিৰোধ কৰাৰ সন্দৰ্ভত বুজাই দিয়ে। অনুষ্ঠানত নাগ্ৰিজুলি উন্নযন খণ্ডৰ অধীনৰ খাটৰবাৰী আৰু কালচেনী গাঁৱৰ ৫০ গৰাকী কৃষকে চলাই থকা জীৱ প্ৰকল্পৰ বিষয়ে আলোকপাত কৰা হয়। এই প্ৰকল্পৰ অধীনত কৃষকসকলে জৈৱিক উৎপাদেনৰ তৈয়াৰী কীট ব্যৱস্থাপনা কৌশল আৰু মিশ্ৰিত শস্যৰ বীজেৰে কৃষি কাৰ্য কৰে। আজিৰ অনুষ্ঠানত কৃষকসকলে এই অভিজ্ঞতাৰ বিনিময় কৰে।

০০০০০

চলিত ফিফা বিশ্বকাপ ফুটবলৰ আজি হ'বলগীয়া খেলত ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত দুবাৰৰ চেম্পিয়ন ফ্ৰান্স ছেনেগালৰ মুখামুখি হ'ব। পুৱতি নিশা চাৰে ৩ বজাত ইৰাক নৰৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

বিশ্বকাপৰ যোৱা নিশা অনুষ্ঠিত তিনিওখন খেলেই অমীংমাসিত হৈ ৰয়। মিয়ামিত হোৱা গ্ৰুপ-এইচৰ খেলত পূৰ্বৰ চেম্পিয়ন উৰুগুৱে ছৌদি আৰবৰ লগত ১-১ গ'লত ড্ৰ' খেলাৰ বিপৰীতে এই গ্ৰুপৰে আন এখন খেলত প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা দ্বীপ ৰাষ্ট্ৰ কেপভাৰ্ডেই কালি স্পেইনৰ সৈতে গ্ৰুপ-এইছৰ এখন খেল গ'ল শূন্যভাৱে সমাপ্ত কৰি চমক সৃষ্টি কৰিছে।

এই গ্ৰুপৰে আজি পুৱা অনুষ্ঠিত ইৰান আৰু নিউজিলেণ্ডৰ খেলখনো ২-২ গ'লত ড্ৰ' হয়।

০০০০০

দৰং জিলা উপায়ুক্ত কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত ৰাজহ চিৰস্তদাৰ মঙলদৈ বামুণপাৰা নিবাসী হৰেশ্বৰ শৰ্মাৰ কালি নিশা এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৮ বছৰ। তেওঁ মঙলদৈৰ সনাতন ধৰ্ম সভা, বামুণপাৰা দুৰ্গা মন্দিৰকে ধৰি বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল।

০০০০০

সমাপ্ত